# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 21-09-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তিনি দিনীয়া ভ্ৰণসূচীৰে আজি আমেৰিকালৈ যাব।

২। কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰে ঐতিহাসিক তৃতীয়টো কাৰ্যকালৰ ১০০ দিন সম্পূৰ্ণ কৰিছে।

৩। আম আদমী পাৰ্টিৰ জ্যেষ্ঠ নেতা আতিশ্বিয়ে আজি দিল্লীৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিব।

৪। বিত্ত মন্ত্ৰ্যালয়ে কৈছে যে, ডিজিটেল ধনাদায়ৰ পৰিমাণ ২০২৩-২৪ বিত্তীয় বৰ্ষত প্ৰায় ১৯ হাজাৰ কোটি টকালৈ বৃদ্ধি পাইছে।

*আৰু*

৫। চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত বাংলাদেশৰ বিৰুদ্ধে অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে কালি তিনি উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৮১ ৰানৰ পৰা আজি তৃতীয় দিনৰ খেল আৰম্ভ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তিনি দিনীয়া ভ্ৰণসূচীৰে আজি আমেৰিকালৈ যাব। এই ভ্ৰমণকালত শ্ৰী মোদীয়ে কেইবালানিও উচ্চস্তৰীয় বৈঠক আৰু আলোচনাত মিলিত হ'ব। ৱাশ্বিংটনৰ ডেলাৱেৰত কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলৰ চতুৰ্থ শীৰ্ষ সন্মিলনত অংশগ্ৰহণেৰে শ্ৰী মোদীয়ে তেওঁৰ এই ভ্ৰমণৰ পাতনি মেলিব। সন্মিলনত জলবায়ু পৰিৱৰ্তনৰ পৰা আৰম্ভ কৰি জটিল প্ৰযুক্তি আদি সামৰি বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা হোৱাৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জ' বায়ডেন আৰু কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ অন্যান্য নেতাসকলৰ সৈতেও দ্বিপাক্ষীক বৈঠকত মিলিত হ'ব। আমেৰিকা ভ্ৰমণৰ পূৰ্বে দিয়া এটা বিবৃতিত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, এই ভ্ৰমণৰ সময়ছোৱাত তেওঁ ৰাষ্ট্ৰপতি বায়ডেন, অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী আলবানিজ আৰু জাপানৰ প্ৰধানমন্ত্ৰী ফুমিঅ' কিশ্বিদাক সাক্ষাৎ কৰিব। আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে হ'বলগীয়া বৈঠক সন্দৰ্ভত শ্ৰী মোদীয়ে কয় যে, এই বৈঠকে ভাৰতৰ জনসাধাৰণ তথা গোলকীয় হিতৰ উদ্দেশ্যে ভাৰত, আমেৰিকা সামগ্ৰিক গোলকীয় কৌশলগত অংশীদাৰিত্ব অধিক শক্তিশালী কৰাৰ বাবে নতুন পথৰ সন্ধান তথা পৰ্যালোচনাৰ সুযোগ প্ৰদান কৰিব।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰী মোদী নিউয়ৰ্কলৈ যাব আৰু ২২ ছেপ্তেম্বৰত তেওঁ দেশৰখনত বাস কৰা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ সৈতে মত বিনিময় কৰিব। তেওঁ লগতে কৃত্ৰিম বুদ্ধিমত্তা, কোৱাণ্টাম কম্পিউটি আৰু

অৰ্ধপৰিবাহী আদি ন ন প্ৰযুক্তিৰ ক্ষেত্ৰত ব্যাপক সহযোগিতা অন্বেষণৰ উদ্দেশ্যে আমেৰিকাৰ আগশাৰীৰ কোম্পানীসমূহৰ শীৰ্ষ নেতাসকলৰ সৈতেও বৈঠকত মিলিত হোৱাৰ কথা আছে। নিজৰ বিবৃতিত প্ৰধানমন্ত্ৰীয়ে কয় যে, তেওঁ ভাৰতীয় সম্প্ৰদায়ৰ লোক আৰু আমেৰিকাৰ গুৰুত্বপূৰ্ণ ব্যৱসায়িক নেতাসকলক সাক্ষাৎ কৰিব।

ভ্ৰমণৰ অন্তিম দিনা নিউয়ৰ্কত থকা ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত **ছামিট অব দ্য ফিউচাৰ** শীৰ্ষক সন্মিলন সম্বোধন কৰিব। এই সন্মিলনৰ মূল বিষয়বস্তু হৈছে **উন্নত ভৱিষ্যতৰ বাবে বহুপাক্ষিক সমাধান**।

ooooo

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰে ঐতিহাসিক তৃতীয়টো কাৰ্যকালৰ ১০০ দিন সম্পূৰ্ণ কৰিছে। এই সময়ছোৱাত চৰকাৰে আন্তঃগাঁথনি কৃষক, মধ্যবিত্ত শ্ৰেণী, মহিলা তথা যুৱক-যুৱতীসকলৰ ওপৰত গুৰুত্ব আৰোপ কৰি ১৫ লাখ কোটি টকাৰো অধিক ব্যয় সাপেক্ষ বহুতো প্ৰকল্প মুকলি কৰে। আমাৰ সংবাদদাতাই জনোৱা মতে জীৱন ধাৰণৰ সুচলতা বৃদ্ধি আৰু দেশৰ মধ্যবিত্ত শ্ৰেণীৰ সৰলীকৰণৰ বাবে নৰেন্দ্ৰ মোদী চৰকাৰে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। তৃতীয়টো কাৰ্যকালৰ প্ৰথম ১০০ দিনত চৰকাৰে প্ৰধানমন্ত্ৰী আবাস যোজনা-নগৰীয়াৰ অধীনত ১০০ কোটি বাসগৃহ নিৰ্মাণত অনুমোদন দিছে। দেশত উদ্যমিতাক উদগনি দিয়াৰ উদ্দেশ্যে চৰকাৰে মুদ্ৰা ঋণৰ সীমা ১০ লাখৰ পৰা ২০ লাখ টকালৈ বৃদ্ধি কৰিছে। কৰদাতাসকলক উপকৃত কৰাৰ বাবে ৭ লাখ টকা পৰ্যন্ত আয় কৰ মুক্ত কৰাৰ ব্যৱস্থা কৰা হৈছে। উমৈহতীয়া পেঞ্চন আঁচনিৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ ২৩ লাখ কৰ্মচাৰীক ৫০ শতাংশ পেঞ্চনৰ নিশ্চয়তা প্ৰদান কৰা হৈছে। তদুপৰি মধ্যবিত্ত শ্ৰেণীৰ বাবে বিদ্যুৎ বিলৰ বোজা হ্ৰাস কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী সূৰ্যঘৰ বিনামূলীয়া বিজুলী যোজনাৰ অধীনত চাৰে ৩ লাখ বাসগৃহত সৌৰ ব্যৱস্থা স্থাপন কৰা হৈছে। যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ উদ্দেশ্যে পুণে, থানে আৰু বাংগালুৰুত মুঠ ৩০ হাজাৰ ৭০০ কোটি টকা ব্যয়সাপেক্ষ মেট্ৰ' প্ৰকল্পত অনুমোদন দিছে। এই প্ৰকল্পসমূহে যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ লগতে যাত্ৰাৰ সময় হ্ৰাস কৰিব আৰু ৰাজহুৱা পৰিবহণ ব্যৱস্থা শক্তিশালী কৰাত সহায় কৰিব।

ooooo

আম আদমী পাৰ্টীৰ জ্যেষ্ঠ নেতা আতিশ্বিয়ে আজি দিল্লীৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিব। ৰাজনিৱাসত দিল্লীৰ উপ-ৰাজ্যপাল ভি কে ছাক্সেনাই আতিশ্বিৰ লগতে অন্যান্য মন্ত্ৰীসকলক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱাব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে শপতগ্ৰহণৰ দিনটোৰ পৰাই আতিশ্বিক দিল্লীৰ মুখ্যমন্ত্ৰী হিচাপে নিয়োগ কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে পাঁচ গৰাকী মন্ত্ৰী নিয়োগতো অনুমোদন দিছে। এই মন্ত্ৰীকেইগৰাকী হৈছে– গোপাল ৰায়, কৈলাশ গেহলট, সৌৰভ ভৰদ্বাজ, ইমৰান হুছেইন আৰু মুকেশ আহ্‌লাৱাত। উল্লেখযোগ্য যে, বিজেপিৰ সুষমা স্বৰাজ আৰু কংগ্ৰেছৰ শ্বীলা দিক্ষীতৰ পাছত আতিশ্বি হ'ব দিল্লীৰ তৃতীয়গৰাকী মহিলা মুখ্যমন্ত্ৰী।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ দুদিনীয়া কাৰ্যসূচীৰে অহা ২৪ ছেপ্টেম্বৰত মহাৰাষ্ট্ৰলৈ যাব। বিধানসভা নিৰ্বাচনৰ পূৰ্বে দলীয় নেতাসকলৰ সৈতে মত বিনিময় কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। বিজেপিৰ ৰাজ্যিক গোটৰ মুৰব্বী চন্দ্ৰশেখৰ বাৱাংকুলেই কৈছে যে, এই ভ্ৰমণৰ প্ৰথম দিনা শ্ৰী শ্বাহে নাগপুৰ আৰু চত্ৰপতি সম্ভাজীনগৰত দলীয় কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰিব আৰু ইয়াৰ পাছত ২৫ ছেপ্টেম্বৰত শ্ৰী শ্বাহ নাছিক আৰু ক'লাপুৰলৈ যাব। সাংবাদিকৰ আগত শ্ৰী বাৱাংকুলেই প্ৰকাশ কৰা মতে শ্ৰী শ্বাহৰ

এই ভ্ৰমণে দলীয় কৰ্মকৰ্তাসকলক উৎসাহ প্ৰদান কৰাৰ লগতে ৰাজ্যখনত শাসনাধিষ্ঠিত বিজেপি, শিৱসেনা আৰু অজিত পাৱাৰ নেতৃত্বাধীন এন চি পিৰ মিত্ৰজোট ক্ষমতাত বাহাল থকাটো সুনিশ্চিত কৰিব।

ooooo

বিত্ত মন্ত্ৰ্যালয়ে কৈছে যে, ডিজিটেল ধনাদায়ৰ পৰিমাণ ২০১৭-১৮ বিত্তীয় বৰ্ষৰ দুহেজাৰ কোটিৰো অধিক হোৱাৰ বিপৰীতে ২০২৩-২৪ বিত্তীয় বৰ্ষত প্ৰায় ১৯ হাজাৰ কোটি টকালৈ বৃদ্ধি পাইছে। আনহাতে ইউ পি আইৰ লেনদেনৰ পৰিমাণো এই সময়ছোৱাত প্ৰায় ৯০ কোটিৰ পৰা ১৩ হাজাৰ কোটিতকৈও অধিক বৃদ্ধি পাইছে। মন্ত্ৰ্যালয়ে লগতে কয় যে, ২০২৩-২৪ বিত্তীয় বৰ্ষত ইউ পি আইৰ লেনদেনৰ মূল্য ২০০ লাখ কোটি টকালৈ বৃদ্ধি পাইছে। ইফালে ইউ পি আইয়ে বৰ্তমান সাতখন দেশত পোনপটীয়া লেনদেনৰ সুবিধা প্ৰদান কৰিছে। দেশ কেইখন হৈছে– সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰ, ছিংগাপুৰ, ভূটান, নেপাল, শ্ৰীলংকা, ফ্ৰান্স আৰু মৰিছাচ।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত বাংলাদেশৰ বিৰুদ্ধে অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে কালি তিনি উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৮১ ৰানৰ পৰা আজি তৃতীয় দিনৰ খেল আৰম্ভ কৰিব। প্ৰথম ইনিংছত ২২৭ ৰানৰ শক্তিশালী অগ্ৰগতিৰে ভাৰতে বৰ্তমান সামগ্ৰিকভাৱে ৩০৮ ৰানৰ অগ্ৰগতি লাভ কৰি আছে। কালি দ্বিতীয় দিনৰ খেলৰ সামৰণি পৰলৈকে ভাৰতৰ শুভমন গীলে ৩৩ ৰাণ আৰু ঋষভ পণ্টে ১২ ৰাণ কৰি অপৰাজিত হৈ আছে।

দ্বিতীয় দিনা নিজৰ দ্বিতীয় ইনিংছত ভাৰতে ৩ টা উইকেট হেৰুৱায়। ৰোহিত শৰ্মাই ৫ ৰান কৰাৰ বিপৰীতে য়শস্বী জয়ছোৱালে ১০ ৰান আৰু বিৰাট কোহলিয়ে ১৭ ৰান কৰি আউট হয়।

ooooo

হাংগেৰীৰ বুডাপেষ্টত চলি থকা ৪৫ সংখ্যক ডবা অলিম্পিয়াডত ভাৰতীয় দলটোৱে অপৰাজিত ধাৰা অব্যাহত ৰাখি মুকলি শাখাৰ নৱম ৰাউণ্ডত উজবেকিস্তানৰ বিৰুদ্ধে ২-২ গলত ড্ৰ কৰে। ইয়াৰ লগে লগে ভাৰতে ১৭

পইণ্টেৰে পদক তালিকাৰ শীৰ্ষ স্থান দখল কৰিবলৈ সক্ষম হয়। ইফালে মহিলা শাখাত ভাৰতে আমেৰিকাৰ বিৰুদ্ধে ২-২ গলত ড্ৰ হোৱাৰ পাছত ১৫ পইণ্টেৰে দ্বিতীয় স্থানলৈ অৱনমিত হয়।

০০০০০

**সমাপ্ত**